**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-07-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

ভাৰতীয় সংবিধানখন কেইটামান অনুচ্ছেদৰ সমষ্টি নহয়, বৰং ইয়াৰ প্ৰমূল্য আৰু শব্দসমূহে চৰকাৰৰ বাবে অতিশয় মূল্য বহন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সংসদৰ উভয় সদনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দিয়া ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত ৰাজ্যসভাত হোৱা আলোচনাৰ উত্তৰত এইকথা প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে চৰকাৰখনক পথ নিৰ্দেশনা প্ৰদান কৰিব পৰাকৈ সংবিধানখনক এটা আলোকগৃহ বুলিও অভিহিত কৰে।

বাবা চাহেব ভীমৰাও আম্বেদকাৰৰ অৱদানসমূহৰ শলাগ লৈ তেওঁ কয় যে, দেশৰ সংবিধানে সম্প্ৰতি ৭৫ বছৰ পূৰ কৰাৰ দিশে অগ্ৰসৰ হৈছে। নিজৰ বক্তব্যত শ্ৰীমোদীয়ে সম্প্ৰতি জনসাধাৰণৰ বাবে উৎসৱত পৰিণত হোৱা সংবিধান দিৱস উদযাপনৰ বিৰোধিতা কৰা সকলৰ সমালোচনা কৰে। তেওঁ কয় যে এন ডি এ চৰকাৰে তৃতীয় কাৰ্যকালত দৰিদ্ৰতাৰ বিৰুদ্ধে যুঁজ দিয়াটো প্ৰধান লক্ষ্য হিচাপে স্থিৰ কৰিছে। এই লক্ষ্য পূৰণৰ দিশত চৰকাৰে সকলো প্ৰচেষ্টা গ্ৰহণ কৰিব বুলিও প্ৰধানমন্ত্ৰীয়ে কয়। ইয়াৰ বাবে কল্যাণকামী আঁচনিসমূহৰ ৰূপায়ণত চৰকাৰে অগ্ৰাধিকাৰ দিব বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে কয় যে তৃতীয়টো কাৰ্যকালত দেশক বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থনীতি হিচাপে গঢ়ি তুলিবলৈ চৰকাৰ বদ্ধপৰিকৰ। দেশৰ জনসাধাৰণে পৰৱৰ্তী পাঁচটা বছৰত ৰাজহুৱা পৰিবহণ ব্যৱস্থাত সুদূৰ প্ৰসাৰী পৰিৱৰ্তন লক্ষ্য কৰিব বুলিও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী কিষাণ সন্মান যোজনাৰ অধীনত ১০ কোটিতকৈ অধিক কৃষক উপকৃত হৈছে আৰু বিগত ছটা বছৰৰ ভিতৰত কৃষকসকলৰ মাজত ৩ লাখ কোটি টকাতকৈ অধিক অনুদান বিতৰণ কৰা হৈছে। কোৱিড মহামাৰীয়ে সৃষ্টি কৰা প্ৰত্যাহ্বানৰ পাছতো ভাৰতীয় অৰ্থনীতি বিশ্বৰ পঞ্চম স্থানত উপনীত হ'বলৈ সমৰ্থ হৈছে বুলি তেওঁ উল্লেখ কৰে।

আনহাতে প্ৰধানমন্ত্ৰীয়ে বক্তব্য প্ৰকাশ কৰা সময়ত কংগ্ৰেছ, ডি এম কে, টি এম চি, আম আদমী পাৰ্টি আৰু আন বিৰোধী দলৰ সদস্যসকল সদনৰ মজিয়ালৈ উঠি আহি হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি কৰাত সভাপতি জগদীপ ধনখড়ে তেঁওলোকক নিজ নিজ আসনলৈ উভতি যাবলৈ আহ্বান জনায়। ইয়াৰ পাছত বিৰোধী সাংসদসকলে সদন ত্যাগ কৰে। বিৰোধীৰ সদন ত্যাগৰ পৰিপ্ৰেক্ষিতত প্ৰধানমন্ত্ৰীয়ে, তেওঁলোকৰ নিজে উত্থাপন কৰা প্ৰশ্নৰ উত্তৰ শুনিবলৈ সাহস নাই বুলি মত প্ৰকাশ কৰি এই কাৰ্যক তেওঁ উচ্চ সদনৰ প্ৰতি অৱজ্ঞা বুলি অভিহিত কৰে। আনহাতে ৰাজ্যসভাৰ সভাপতিগৰাকীয়েও বিৰোধী পক্ষই সদন ত্যাগ কৰা কাৰ্যক লৈ অসন্তুষ্টি ব্যক্ত কৰে।

ইয়াৰ পূৰ্বে আজি পুৱা সদন মিলিত হোৱাৰ সময়ত ৰাষ্ট্ৰপতিৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱক লৈ আলোচনা আৰম্ভ হোৱাৰ পাছতেই ইউ পি পি এল দলৰ সাংসদ ৰণগৌৰা নাৰ্জাৰীয়ে এক্ট ইষ্ট পলিচিৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয় যে, চৰকাৰৰ এই নীতিয়ে উত্তৰ-পূৰ্বাঞ্চললৈ শান্তি কঢ়িয়াই আনিব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্যখনে ব্যাপক হাৰত উন্নয়নৰ মুখ দেখিছে বুলিও তেওঁ লগতে মত প্ৰকাশ কৰে।

সদনত আজি উত্তৰ প্ৰদেশৰ হাথৰছত কালি পদপিষ্ট হৈ প্ৰাণ হেৰুওৱা লোকসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰে।

ইপিনে, ৰাজ্যসভাৰ কাৰ্যক্ৰমণিকা আজি অনিৰ্দিষ্ট কালৰ বাবে স্থগিত ৰখা বুলি সভাপতি জগদীপ ধনখড়ে ঘোষণা কৰে।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰে ১ জুলাইৰ পৰা আৰম্ভ কৰা **সম্পূৰ্ণতা অভিযান** অসমত কাইলৈ আৰম্ভ হ'ব। অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহৰ দ্ৰুত, সৰ্বাত্মক বিকাশৰ লক্ষ্যৰে ৰাজ্যৰ কেইবাখনো জিলাত কাইলৈৰপৰা এই অভিযান ৰূপায়ণ কৰা হ'ব। বৰ্তমানে উন্নয়নৰ সুফল নোপোৱা দেশৰ ভিন্ন প্ৰান্তৰ অঞ্চলসমূহ সামৰি কেন্দ্ৰীয় চৰকাৰে অঞ্চলসমূহৰ দ্ৰুত উন্নয়নৰ বাবে **সম্পূৰ্ণতা অভিযান** আৰম্ভ কৰিছে। অভিলাষী জিলা আৰু উন্নয়ন খণ্ডৰ অংশ হিচাপে কেন্দ্ৰীয় চৰকাৰে ১ জুলাইত আৰম্ভ কৰা এই অভিযান ৩০ ছেপ্তেম্বৰ পৰ্যন্ত চলিব। নীতি আয়োগে আৰম্ভ কৰা এই অভিযানে নিৰ্বাচিত জিলা আৰু উন্নয়ন খণ্ডৰ নিৰ্দিষ্ট সূচাংক পৰ্যন্ত উন্নয়নৰ ক্ষেত্ৰত গুৰুত্ব দিব। এই আঁচনিৰ জৰিয়তে চলি থকা আঁচনিসমূহৰ কাৰ্যসূচীৰ ক্ষেত্ৰত অবিৰত পৰ্যবেক্ষণেৰে ফলাফলৰ ক্ষেত্ৰত গুৰুত্ব দিয়া হ'ব। **সম্পূৰ্ণতা অভিযানে** অভিলাষী জিলা আৰু অভিলাষী খণ্ডৰ উন্নয়নেৰে দেশৰ অন্য প্ৰান্তৰ উন্নয়নৰ সৈতে ব্যৱধান আঁতৰোৱাৰ লগতে চকুত লগাকৈ সলনি কৰাৰ লক্ষ্য লোৱা হৈছে।

উল্লেখযোগ্য যে ২০১৮ চনত দেশৰ সৰ্বাধিক উন্নয়নৰ সুফল নোপোৱা ১১২ খন জিলা সামৰি অভিলাষী জিলা কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। একেদৰে ২০২৩ চনত উন্নয়নৰ হাৰ সন্তোষজনক নোহোৱা ৫০০টা উন্নয়ন খণ্ড সামৰি অভিলাষী খণ্ড কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। অভিলাষী জিলা কাৰ্যসূচীয়ে স্বাস্থ্য আৰু পৰিপুষ্টি, শিক্ষা, কৃষি আৰু জলসম্পদ, বিত্তীয় চামিলকৰণ, দক্ষতা বিকাশ আৰু আন্তঃগাঁথনিক সামৰি লৈছে। একেদৰে অভিলাষী খণ্ড কাৰ্যসূচীয়ে সামৰি লোৱা মূল পাঁচটা সূচাংক হ'ল- স্বাস্থ্য আৰু পৰিপুষ্টি, শিক্ষা, কৃষি আৰু কৃষি সম্বন্ধীয় অন্যান্য সেৱা প্ৰাথমিক স্তৰৰ আন্তঃগাঁথনি আৰু সামাজিক উন্নয়ন।

আনহাতে **সম্পূৰ্ণতা অভিযানে** মূলত ছটা সূচাংকৰ ওপৰত গুৰুত্ব দি ক্ষিপ্ৰতাৰে আটাইকেইটা দিশতে আঁচনিখনে সামৰি লোৱা জিলা তথা উন্নয়ন খণ্ডক এটা পৰ্যায়লৈ লৈ যোৱাৰ ক্ষেত্ৰত গুৰুত্ব দিছে। অভিলাষী উন্নয়ন খণ্ডৰ ক্ষেত্ৰত এই সংকল্প অভিযানে সাঙুৰি লোৱাৰ ক্ষেত্ৰত সূচাংকসমূহ হ'ল- শতকৰা হাৰত প্ৰথম তিনি মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা, শতকৰা হাৰত সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগানৰ সংখ্যা, শতকৰা হিচাপত চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ছয়েল হেল্‌থ কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মনিৰ্ভৰশীল গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ। আনহাতে অভিলাষী জিলা কাৰ্যসূচীৰ ক্ষেত্ৰত সংকল্প অভিযানে সাঙুৰি লোৱাৰ ক্ষেত্ৰত বাছনি সূচাংকসমূহ হ'ল- শতকৰা হাৰত প্ৰথম তিনি মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা, শতকৰা হাৰত সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগানৰ সংখ্যা, আঁচনিভুক্ত জিলাসমূহৰ কৃষকৰ মাজত ছয়েল হেল্‌থ কাৰ্ড বিতৰণ, শতকৰা হিচাপত শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতা, শতকৰা হিচাপত বিদ্যুৎ যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ আৰু শতকৰা হিচাপত পাঠ্যক্ৰম আৰম্ভ হোৱা এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণ হাৰ।

এই **সম্পূৰ্ণতা অভিযানে** ৰাজ্যৰ ১৩খন জিলা তথা ২০টা খণ্ডক সাঙুৰি লৈছে। ইয়াৰ ভিতৰত তামুলপুৰ, বৰপেটাৰ মন্দিয়া, কাছাৰৰ লক্ষীপুৰ, দৰঙৰ পূব মঙলদৈ, ধেমাজিৰ মুৰ্কংচেলেক, ধুবুৰীৰ বীৰছিং জাৰুৱা, ডিমা হাচাওৰ গিয়াং, ডিয়ুংব্ৰা, জাতিংগা আৰু নতুন সংবৰ, গোৱালপাৰাৰ লক্ষীপুৰ, হাইলাকান্দিৰ দক্ষিণ হাইলাকান্দি, কাৰ্বি আংলঙৰ নিলিপ, ৰংবংৰে আৰু ছামেলাংছ', দক্ষিণ শালমাৰা কাছাৰৰ ফেকামাৰী, ওদালগুৰিৰ ভেৰগাঁও, পশ্চিম কাৰ্বি আংলঙৰ আম্ৰি, ছিংথং, ছ'চেং।

০০০০০০০

**সমাপ্ত**